**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষী জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত এছ্ আই টিয়ে পাঁচোজন অভিযুক্তক আজি আদালতত হাজিৰ কৰোৱায় আৰু ন্যায়ালয়ে অভিযুক্তকেইজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অভিযুক্তকেইজনক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত বাক্সা জিলাৰ নিকাছিৰ নৱনিৰ্মিত কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। আমাৰ বাক্সাৰ সংবাদদাতাই জনোৱা মতে কাৰাগাৰলৈ অভিযুক্তকেইগৰাকীক নিয়াৰ সময়ত আজি স্থানীয় লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উত্তেজিত লোকসকলে আৰক্ষীলৈ লক্ষ্য কৰি শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। আটাইকেইজন অভিযুক্তক কাৰাগাৰৰ বাহিৰলৈ উলিয়াই দিয়াৰ দাবী জনাই ভালেসংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। ইপিনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে শূন্যলৈ গুলীচালনা কৰাৰ সময়ত এজন লোক গুলীবিদ্ধ হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰতিবাদকাৰীৰ আক্ৰমণত মহিলা আৰক্ষীসহ কেইবাজনো জোৱান আৰু সাংবাদিক আহত হৈছে। স্থানীয় আৰক্ষী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱৰাত দৰং, বৰপেটা আৰু নলবাৰীৰ পৰা অতিৰিক্ত নিৰাপত্তাৰক্ষীৰ দলৰ লগতে অৰ্ধসামৰিক বাহিনী প্ৰেৰণ কৰা হৈছে। গুৱাহাটীৰ পৰা গৃহ বিভাগৰ শীৰ্ষ বিষয়াৰ এটা দলো ঘটনাস্থলীলৈ ইতিমধ্যে ৰাওনা হৈছে। প্ৰতিবাদকাৰীসকলে ঘটনাস্থলীলৈ ৰাওনা হোৱা আৰক্ষী বিষয়াক ঘটনাস্থলীৰ কিছু দূৰৈত আৱদ্ধ কৰি ৰখাৰো বাতৰি আহিছে। পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত বাক্সা জিলাত সান্ধ্য আইন জাৰি কৰা হৈছে। নিকাছিৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে।

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত আজি এছ্ আই টিয়ে পুনৰ তিনিগৰাকী প্ৰবাসী অসমীয়া সুস্মিতা গোস্বামী, প্ৰীতম ভূঞা আৰু দেৱজ্যোতি হাজৰিকাৰ ভাষ্য গ্ৰহণ কৰে। এছ্ আই টিয়ে তিনিওজন প্ৰবাসী অসমীয়াক চি আই দি কাৰ্যালয়ত সোধা-পোছা কৰে। এই সন্দৰ্ভত এছ্ আই টিৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বৰ্তমানলৈকে ১১ গৰাকী প্ৰবাসী অসমীয়াই চি আই ডিৰ কাৰ্যালয়ত সাক্ষ্য প্ৰদান কৰিছে। তেওঁ কয় যে বৰ্তমান ছিংগাপুৰৰ নাগৰিকত্ব লোৱা ৱাজিদ আহমেদ সাক্ষ্য দিবলৈ বাকী আছে আৰু তেওঁ সাক্ষ্য দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই ঘটনাৰ তদন্তৰ বাবে ভাৰতীয় উচ্চায়ুক্তৰ জৰিয়তে ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা ই-মেইল লাভ কৰা বুলি প্ৰকাশ কৰি বিশেষ সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে ছিংগাপুৰ কৰ্তৃপক্ষই কোন কোন বিষয়া তদন্তৰ বাবে যাব

আৰু কি কি বিষয়ৰ তদন্ত কৰিব সেই বিষয়ে জানিব বিচাৰিছে। ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা তদন্ত সন্দৰ্ভত সেউজ সংকেত পোৱা যাব বুলি শ্ৰীগুপ্তাই আশা প্ৰকাশ কৰে।

**ৰাইট (মুন্না প্ৰসাদ গুপ্তা)**

ইপিনে বিভিন্ন মাধ্যমত বিয়পি পৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ভুৱা বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে স্পষ্ট কৰি দিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কয়, যে সামাজিক মাধ্যমত বিয়পি পৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনখনত কোনো চিকিৎসকৰ স্বাক্ষৰ নাই। স্বাক্ষৰ নথকা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন কেতিয়াও সত্য হ'ব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে। বিষয়টো লৈ তদন্ত কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীগুপ্তাই ভুৱা বাতৰি প্ৰচাৰ নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অপপ্ৰচাৰ চলোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ সকীয়াই দিয়ে।

০০০০

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল আজি ঘোষণা কৰা হয়। সংশ্লিষ্ট ৱেবছাইটত আজি ফলাফলসমূহ প্ৰকাশ কৰা হয়। ইপিনে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজিৰে পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। নৱেম্বৰত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০

নাবাৰ্ড আৰু বৰপেটা জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ উদ্যোগত আজি সৰ্থেবাৰীত কাহ পিতলৰ শিল্পৰ ভৌগলিকসূচক অৰ্থাৎ জি আই টেগ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত অঞ্চলটোৰ কাহ শিল্পীসকলৰ লগতে বহু বিক্ৰী প্ৰতিষ্টানে অংশগ্ৰহণ কৰে। নাবাৰ্ডৰ প্ৰতিনিধিসকলে জি আই টেগৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে কাহ শিল্পী আৰু ব্যৱসায়ীসকলক ইয়াৰ ব্যৱহাৰৰ বাবে আহ্বান জনায়। নাবাৰ্ডৰ বিষয়াসকলে কাহ পিতলৰ দৰে পৰম্পৰাগত শিল্প কৰ্মসমূহৰ সুৰক্ষিতকৰণ আৰু প্ৰমান্যতা নিশ্চিতকৰণৰ লগতে বজাৰত থলুৱা সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰাত জি আই টেগৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ